# অসম মাধ্যমিক শিক্ষা পৰিষদ

বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

## বিশেষ জাননী

ইয়াৰদ্বাৰা সংশ্লিষ্ট বিদ্যালয়সমূহৰ প্ৰধানক জনোৱা যায় যে – নৱম শ্ৰেণীৰ পঞ্জীয়ন পত্ৰ পূৰণ কৰোতে বা Check list (2016) শুধৰণি কৰোতে :

১. নৱম শ্ৰেণীত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে পুনৰ নামভৰ্তি কৰিলে (নৱম শ্ৰেণীত)একে পঞ্জীয়ন নম্বৰ থাকিব। নতুনকৈ পঞ্জীয়ন কৰিব নালাগে।

২. কোনো ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হ'লে নাম তালিকাৰ পৰা কৰ্তন কৰিব।

৩. বিদ্যালয় সলনি (Transfer) কৰিলে SEBA লৈ নিৰ্দিষ্ট প্ৰ-পত্ৰৰ যোগেদি আবেদন জনাই নতুন পঞ্জীয়ন ল'ব লাগিব। কিন্তু নিম্নোলিখিত চৰ্তসমূহৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব:

(ক) একে পৰীক্ষা কেন্দ্ৰৰ অৰ্ন্তগত বিদ্যালয়ৰ মাজত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন সাল-সলনি (Transfer) কৰিব নোৱাৰিব।

(খ) অভিভাৱকৰ চাকৰি বদলি হ'লে বা বাসস্থান সলনি কৰিলে পঞ্জীয়ন সলনি কৰিব লাগিব আৰু SEBAৰ নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি আবেদন জমা দিব লাগিব।

(গ) চিকিৎসাজনিত কাৰণত – হৃদৰোগ, চকুৰ অস্ত্ৰোপচাৰ, দুৰ্ঘটনাজনিত কাৰণত প্ৰতিবন্ধী হ'লে পঞ্জীয়ন সলনি কৰিব পাৰিব।

(ঘ) বিদ্যালয়ৰ স্বীকৃতি বাতিল (Derecognition) হ'লে ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন সলনি কৰিব লাগিব।

ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন বা Check list শুধৰণিৰ ক্ষেত্ৰত জানিব লগা থাকিলে নিম্ন উল্লেখিত দূৰভাষ নম্বৰত যোগাযোগ কৰি জানিব পাৰিব -

**ট'ল ফ্ৰী 1800-345-3711, অন্য দূৰভাষ নং 0361-2550371, 2550330 (কাৰ্য্যালয় সময়ত)**
**ম'বাইল নং 9707075699,7002526535,9401317228,9706330703**

অদ্যপৰিমিত যি বিদ্যালয়ে ২০১৭ চনৰ নৱম শ্ৰেনীৰ ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ণৰ বাবে User ID আৰু PassWord পোৱা নাই তেখেতসকলক সংশ্লিষ্ট জিলাৰ পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰিবলৈ জনোৱা হ'ল।

সচিব
অসম মাধ্যমিক শিক্ষা পৰিষদ
বামুনীমৈদাম, গুৱাহাটী-৭৮১০২১

নং : সেৱা/ৰেজি./ফৰ্ম-ফিলআপ/২০১৭/৯৬৬৩-৬৯৪ দিনাংক ২৪-০৪-২০১৭

প্ৰতিলিপি জ্ঞাতাৰ্থে :

১. ব্যক্তিগত সহায়ক, মাননীয় অধ্যক্ষ মহোদয়, অসম মাধ্যমিক শিক্ষা পৰিষদ।
২. বিশেষ কৰ্ত্তব্যৰত বিষয়া, অসম মাধ্যমিক শিক্ষা পৰিষদ।
৩. পৰীক্ষা নিয়ন্ত্ৰক, অসম মাধ্যমিক শিক্ষা পৰিষদ।
৪. বিদ্যালয়সমূহৰ পৰিদৰ্শক (সকলো)।
৫. তথ্য-প্ৰযুক্তি শাখা, অসম মাধ্যমিক শিক্ষা পৰিষদ।
৬. কাৰ্য্যালয় কপি।

সচিব 24/4
অসম মাধ্যমিক শিক্ষা পৰিষদ
বামুনীমৈদাম, গুৱাহাটী-৭৮১০২১